Regional News Bulletin
All India Radio, Guwahati
0000000000

**Date :** 16-08-2024
**Time :** 0900 hrs

*Assamese Morning Bulletin*

**Headlines**

000000000

১। উত্তৰ পূৰ্বাঞ্চলে আন্তঃগাঁথনি উন্নয়নৰ বাবে নতুন পৰিচয় লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় অহা ২ অক্টোবৰত আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্বৰ প্ৰকাশ।

৩। প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বাৰ্ষিকীত দেশবাসীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন।

৪। কলকাতাত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত ভাৰতীয় চিকিৎসা সংস্থাৰ কাইলৈ পুৱা ৬ বজাৰ পৰা ২৪ ঘণ্টাৰ বাবে ধৰ্মঘট ঘোষণা। এই সময়ছোৱাত জৰুৰীকালীন সেৱাসমূহ অব্যাহত থাকিব বুলি সংস্থাৰ প্ৰকাশ।

**আৰু**

৫। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নতুন কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন যান এ-এছ-এল-ভিৰ জৰিয়তে মহাকাশলৈ কৃত্ৰিম উপগ্ৰহ প্ৰেৰণ।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চল আজি ইয়াৰ আন্তঃগাঁথনিৰ বাবে পৰিচিত হৈছে বুলি মন্তব্য প্ৰকাশ কৰিছে। ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি লালকিল্লাৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে দলিত, নিপীড়িত, পিছপৰা শ্ৰেণী, জনজাতীয় লোককে ধৰি সমাজৰ প্ৰতিটো শ্ৰেণীৰ প্ৰয়োজনসমূহ পূৰণ কৰাৰ বাবে তেওঁৰ চৰকাৰে কাম কৰি আহিছে। জনসাধাৰণৰ জীৱনত চৰকাৰৰ হস্তক্ষেপ হ্ৰাস কৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে সৰু সৰু কাৰণত কাৰাগাৰলৈ পঠোৱাৰ পৰম্পৰা লুপ্ত কৰি ন্যায় সংহিতাৰ ৰূপত চৰকাৰে এখন নতুন অপৰাধ আইন দিছে। এই আইনখনৰ মূল উদ্দেশ্য হ'ল নাগৰিকসকলৰ প্ৰতি থকা ন্যায়বোধক অধিক শক্তিশালী কৰি তোলা। স্বাধীনতাৰ বাবে দেশবাসীয়ে একতা আৰু ত্যাগেৰে কৰা সংগ্ৰাম আৰু সংকল্পৰ দৰেই আজি ১৪০ কোটি দেশবাসীয়ে সেৱা আগবঢ়ালে ২০৪৭ চনত বিকশিত ভাৰতৰ সপোন বাস্তৱত পৰিণত হ'ব বুলি আশা প্ৰকাশ কৰি চৰকাৰে ৰাষ্ট্ৰ প্ৰথম নীতিৰ আধাৰত বিকাশৰ বাবে বিভিন্ন সংস্কাৰ সাধন কৰিছে বুলিও তেওঁ কয়। বিকশিত ভাৰত ২০৪৭ কেৱল কেইটামান শব্দ নহয় ইয়াৰ আঁৰত কঠোৰ পৰিশ্ৰম জড়িত হৈ আছে বুলি প্ৰকাশ কৰি শ্ৰীমোদীয়ে এই ক্ষেত্ৰত দেশৰ কোটি কোটি নাগৰিকে অগণন পৰামৰ্শ আগবঢ়োৱাৰ বাবে আনন্দ প্ৰকাশ কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ভাৰতৰ ১৮ হাজাৰ গাঁৱত বিদ্যুৎ যোগান ধৰা, ১২ কোটি নতুন পৰিয়ালে টেপৰ পানী লাভ কৰা আদিৰ বিষয়ে প্ৰকাশ কৰি কয় যে এনে ধৰণৰ সফলতাই চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা প্ৰতিফলিত কৰে। ভোকেল ফৰ লোকেলৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে দেশৰ প্ৰতিখন জিলাই নিজৰ উৎপাদিত সামগ্ৰীক লৈ গৌৰৱ কৰিবলৈ আৰম্ভ কৰিছে বুলি কয়। তেওঁ লগতে কয় যে বৰ্তমান এখন জিলা এটা সামগ্ৰীৰ পৰিৱেশ সৃষ্টি হৈছে।

গো-পালক আৰু মীন পালকসকলে বেংকৰ পৰা সুবিধা লাভ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে লাখ লাখ ৰাজপথৰ ব্যৱসায়ীসকলে আজি বেংকৰ সহায়ত উন্নয়নৰ দিশত অংশীদাৰ হৈ সফলতা লাভ কৰিছে বুলিও প্ৰকাশ কৰে। দেশত আজি পৰ্যটন খণ্ড, এম এছ এম ই, শিক্ষা, স্বাস্থ্য, কৃষি অথবা পৰিবহন আদি প্ৰতিটো খণ্ডতে এটা আধুনিক ব্যৱস্থাৰ সৃষ্টি হৈছে। ১০ বছৰত ১০ কোটি মহিলাই আত্ম-সহায়ক গোটত যোগদান কৰিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত মহিলাসকল অৰ্থনৈতিকভাৱে স্বাৱলম্বী হৈছে বুলি গৌৰৱ প্ৰকাশ কৰে।

একেৰাহে তৃতীয় বাৰৰ বাবে দেশ সেৱাৰ সুযোগ দিয়াৰ বাবে শ্ৰীমোদীয়ে দেশবাসীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ৪০ কোটি জনসাধাৰণে যদি স্বাধীনতাৰ সপোন পূৰণ কৰিব পাৰে তেন্তে ১৪০ কোটি দেশবাসীয়ে এখন সমৃদ্ধিশালী ভাৰতৰ সপোন বাস্তৱায়িত কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে।

000000000

অহা ২ অক্টোবৰত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অধীনত বৰবংশৰ মৌজাৰ ৪ খন গাওঁৰ লোকক ভূমি পট্টা বিতৰণ উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানত মুঠ ৮৮১ খন ভূমিপট্টা বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে ভূমিপট্টা অবিহনে বসবাস কৰি থকাটোৱে কেতিয়াবা জীৱনত সমস্যাৰ সৃষ্টি কৰিব পাৰে। তেওঁ কয় যে, জালুকবাৰী সমষ্টিৰ বহুলোকৰ ভূমিপট্টা নোহোৱা কথাটো লক্ষ্য কৰি এই পদক্ষেপ লোৱা হৈছে। তেওঁ কয় যে, অঞ্চলটোৰ কেইবাখনো গাওঁৰ খিলঞ্জীয় লোক ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। তেওঁ এই লোকসকলক ভূমিপট্টা গ্ৰহণৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ কয় যে, অহা ২ অক্টোবৰত আৰম্ভ হ'বলগীয়া তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ প্ৰথম অৱস্থাত নামঘৰ, বিদ্যালয় আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আদিক ভূমিপট্টা প্ৰদান কৰা হ'ব। তদুপৰি এই পৰ্যায়ত এজমালী পট্টাসমূহ ব্যক্তিগত পট্টালৈ ৰূপান্তৰ কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ কয়। তদুপৰি এই পৰ্যায়ত ভূদান, গ্ৰামদানৰ মাটিত বসবাস কৰা খিলঞ্জীয়া লোকসকলকো পট্টা দিবলৈ চেষ্টা কৰা হব বুলি তেঁও জানিবলৈ দিয়ে। আনহাতে দেবোত্তৰৰ যিসমূহ ভূমি চিলিং চাৰপ্লাছ হৈছিল তাত থকা মন্দিৰ বা আৱাসী সকলকো এই পৰ্যায়ত ভূমি আৱণ্টনৰ ব্যৱস্থা কৰা হ'ব। স্বাধীনতা দিৱসৰ কাৰ্যসূচীত কেইবাটাও ঘোষণা কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, অবিভক্ত গোৱালপাৰা জিলাত জনসাধাৰণে এতিয়া নিজৰ সম্প্ৰদায়ৰ বাহিৰে অন্য সম্প্ৰদায়ক ভূমি বিক্ৰী কৰিব নোৱাৰিব। ইয়াৰ বাবে চৰকাৰে এখন নতুন আইন প্ৰনয়ন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই আইনখন ৰাইজে গ্ৰহণ কৰিলে পৰৱৰ্তী সময়ত অন্যান্য জিলাসমূহলৈ সম্প্ৰসাৰণ কৰা হব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooooooo

কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী চিৰাং-ৰিপু সংৰক্ষিত বনাঞ্চলৰ ৩৯১ বৰ্গ কিলোমিটাৰ সামৰি নতুনকৈ চিকনাঝাৰ ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত তেওঁ এই কথা উল্লেখ কৰে। উল্লেখযোগ্য যে কোকৰাঝাৰ জিলাৰ হল্টুগাঁও, ঝাৰবাড়ী আৰু চিৰাং জিলাৰ ৰুণিখাটা বনাঞ্চল এলেকা সামৰি গঠন কৰিবলগীয়া চিকনঝাৰ জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যান অসমৰ অষ্টম তথা বি টি আৰৰ তৃতীয়খন ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি লাভ কৰিব।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কালি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত বিশেষ অভ্যৰ্থনা অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় উপস্থিত থাকে। ইয়াৰ উপৰি, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, জে পি নাড্ডা, ড০ এছ জয়শংকৰ, অশ্বিনী বৈষ্ণৱ, পীযুষ গোৱেল, শিৱৰাজ সিং চৌহান আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰাজভৱনতো ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সন্ধিয়া **এট হোম** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooooooo

সমগ্ৰ ৰাষ্ট্ৰই প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। এই উপলক্ষে নতুন দিল্লীত অটল বিহাৰী বাজপেয়ীৰ সমাধি সদৈব অটলত এখন প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে।

ooooooo

এটা নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনে কালি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ কেইবাটাও স্থানত বোমা সংস্থাপন কৰা ঘটনাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ এই কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পৰিৱেশ বিনষ্ট নকৰিবলৈ আলফাৰ সেনা প্ৰধান পৰেশ বৰুৱাক আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমে বহু বছৰৰ মূৰত বৰ্তমান উন্নয়নৰ পথত অগ্ৰসৰ হৈছে আৰু এই ক্ষেত্ৰত ৰাজ্যত সুস্থ বিনিয়োগৰ পৰিৱেশ বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী। মুখ্যমন্ত্ৰীয়ে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিবলৈ সংগঠনটোক আহ্বান জনায়। আনহাতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত আলফা সদস্যসকল এই অসমৰে সন্তান তথা চৰকাৰখনো অসমৰ মানুহেৰে গঠন হোৱা বুলি উল্লেখ কৰে। তেওঁ বৰ্তমান অসমত বিৰাজ কৰা শান্তি আৰু প্ৰগতিৰ পৰিৱেশ বিনষ্ট নকৰি হত্যা-হিংসাৰে অসমক পুনৰ পিছুৱাই লৈ নাযাবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে কালি গুৱাহাটী মহানগৰীৰ আঠটা স্থানৰ লগতে ৰাজ্যখনৰ ২০ টাৰো অধিক স্থানত বোমা সংস্থাপন কৰা বুলি এটা বিবৃতিযোগে দাবী কৰাৰ পৰিপ্ৰেক্ষিতত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে একেধৰণৰ বোমাসদৃশ সামগ্ৰী নলবাৰী, লখিমপুৰ আৰু নগাঁৱতো উদ্ধাৰ হৈছে আৰু সুৰক্ষিতভাৱে আঁতৰ কৰা হৈছে বুলি প্ৰকাশ কৰে। এই সামগ্ৰী ফৰেণচিক পৰীক্ষাৰ বাবে পঠিওৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

ভাৰতীয় চিকিৎসা সংস্থাই কলকাতাত এগৰাকী কনিষ্ঠ চিকিৎসকক ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত জৰুৰীকালীন সেৱাৰ বাহিৰে অন্য সেৱাসমূহ কাইলৈ পুৱা ৬ বজাৰপৰা ২৪ ঘণ্টাৰ বাবে বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে। সংস্থাটোৱে এখন বিজ্ঞপ্তিযোগে কৈছে যে এই সময়ছোৱাত অত্যাৱশ্যকীয় সেৱাসমূহ অব্যাহত থাকিব আৰু কেজুৱেলিটী ৱাৰ্ডসমূহ খোলা ৰখা হ'ব। বিজ্ঞপ্তিখনত লগতে এইবুলি কোৱা হৈছে যে এই সময়ছোৱাত বৰ্হিঃবিভাগৰ সেৱা সম্পূৰ্ণৰূপে বন্ধ থাকিব। আই এম এৰ ৰাজ্যিক শাখাসমূহৰ সৈতে হোৱা আলোচনাৰ অন্তত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৱে খন্তেক সময় পাছতেই শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন যান এছ্ এছ্ এল ভিৰ জৰিয়তে ইঅ'এছ-০৮ নামৰ এটা পৃথিৱী নিৰীক্ষণকাৰী কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ প্ৰেৰণ কৰিব। এই উৎক্ষেপনৰ বাবে পুৱা ২ বাজি ৪৭ মিনিটত চাৰে ৬ ঘণ্টাজোৰা ক্ষণ গণনা ইতিমধ্যে আৰম্ভ হৈছে। কৃত্ৰিম উপগ্ৰহটোৰ উৎক্ষেপনৰ লগে লগে এছ্ এছ্ এল ভি উৎক্ষেপন যানৰ উন্নয়নৰ প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব আৰু যানখন ক্ষুদ্ৰ কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিব। পি এছ্ এল ভি উৎক্ষেপন যানৰ তুলনাত ১০ মিটাৰ সৰু এছ্ এছ্ এল ভি ৰকেট পৃথিৱীৰ নিম্ন কক্ষপথত ক্ষুদ্ৰ আৰু কম ওজনৰ কৃত্ৰিম উপগ্ৰহ প্ৰেৰণৰ বাবে ব্যৱহাৰ কৰা হ'ব। এছ্ এছ্ এল ভি উৎক্ষেপন যানে কম খৰচত কেইবাটাও উপগ্ৰহ উৎক্ষেপন আৰু নামমাত্ৰ উৎক্ষেপন আন্তঃগাঁথনিৰ সহায়ত উৎক্ষেপন অভিযান সম্পূৰ্ণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। পি এছ্ এল ভিৰ তুলনাত এছ্ এছ্ এল ভিৰ ব্যয়  প্ৰায় ২০ৰ পৰা ৩০ শতাংশ কম হ'ব।

০০০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে পৰহিলৈ চৰকাৰী ভ্ৰমণসূচীৰে কুৱেইটলৈ যাব। এই ভ্ৰমণকালত বিদেশ মন্ত্ৰীগৰাকীয়ে কুৱেইটৰ বিদেশ মন্ত্ৰী আব্দুল্লা আলী অল য়হয়াক সাক্ষাৎ কৰিব। তেওঁ লগেত কুৱেইটৰ নেতৃবৰ্গকো সাক্ষাৎ কৰাৰ কথা আছে।

ড০ জয়শংকৰৰ এই ভ্ৰমণে দুয়োপক্ষকে ৰাজনীতি, বাণিজ্য, বিনিয়োগ, শক্তি, সুৰক্ষা, সংস্কৃতি, দূতাবাস আৰু জনসম্পৰ্ককে ধৰি দ্বিপাক্ষিক সম্বন্ধৰ বিভিন্ন দিশত পৰ্য্যালোচনা চলোৱাৰ সুযোগ প্ৰদান কৰিব। দুয়ো পক্ষই লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় লৈ আলোচনা কৰিব।

০০০০০০০

স্বাধীনতা দিৱসৰ দিনাই নলবাৰী আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখত প্ৰায় ৭০ কিলোগ্ৰাম গাঞ্জা আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। গাঞ্জা সৰবৰাহকাৰী গাড়ীখন ৰাষ্ট্ৰীয় ঘাইপথেৰে আহি থকা অৱস্থাত আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সন্মুখত দুৰ্ঘটনাত পতিত হোৱাৰ ফলত আৰক্ষীয়ে তালাচী চলাওতে এই গাঞ্জসমূহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত বৰ্তমানেও আৰক্ষীৰ তদন্ত চলি আছে বুলি জানিব পৰা গৈছে।

ooooooo

ভাৰতে কাইলৈ তৃতীয় ভইচ অব গ্লোবেল ছাউথ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে - বহনক্ষম ভৱিষ্যতৰ বাবে সবল গ্লোবেল ছাউথ। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এই সন্মিলনে সংঘৰ্ষ, খাদ্য আৰু শক্তি সুৰক্ষা সংকট আৰু জলবায়ু পৰিবৰ্তনৰ লেখিয়া বিশ্বক প্ৰভাৱিত কৰি অহা জটিল প্ৰত্যাহ্বান সন্দৰ্ভত পূৰ্বৰ সন্মিলনত হোৱা আলাপ-আলোচনাৰ সম্প্ৰসাৰণৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। সন্মিলনত গ্লোবেল ছাউথ ৰাষ্ট্ৰসমূহে বিভিন্ন প্ৰত্যাহ্বান, অগ্ৰাধিকাৰ তথা তুলনামূলকভাৱে কম বিকশিত আৰু বিকাশশীল দেশৰ সমস্যা বিশেষকৈ উন্নয়ন ক্ষেত্ৰত সমাধানক লৈ আলোচনা অব্যাহত থাকিব। মন্ত্ৰালয়ে কৈছে যে পূৰ্বৰ সন্মিলনৰ দৰে তৃতীয় সন্মিলনো ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠিত হ'ব। সন্মিলনৰ উদ্বোধনী সত্ৰত ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানসকলে অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সত্ৰৰ গুৰি ধৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস দৃষ্টিভংগীৰ সম্প্ৰসাৰিত ৰূপ হিচাপে এই অনন্য উদ্যম আৰম্ভ কৰা হৈছে আৰু ইয়াক ভাৰতৰ বসুধৈব কুটুম্বকম দৰ্শনৰ সৈতে সংযুক্ত কৰা হৈছে। গ্লোবেল ছাউথ হিচাপে পৰিচিত স্বল্পবিকশিত আৰু উন্নয়নশীল দেশৰ উমৈহতীয়া মঞ্চত সকলো বিষয়ৰ অগ্ৰাধিকাৰক লৈ এখন উমৈহতীয়া মঞ্চত আলাপ আলোচনা কৰাৰ উদ্দেশ্যে এই উদ্যমৰ পৰিকল্পনা কৰা হৈছে।

ooooooo

ধুবুৰী জিলাৰ বিলাসীপাৰাৰ বগৰীবাৰী মহামায়াত বাইক আৰু ই-ৰিক্সাৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত এক ভয়ানক পথ দুৰ্ঘটনা সংঘটিত হয়। এই সংঘৰ্ষত তিনি বাইক আৰোহীসহ ৬জন আৰোহী গুৰুতৰভাৱে আহত হয়। আহত কেইজনক আৰক্ষীয়ে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে।

আনহাতে চাপৰৰ ধীৰঘাটৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি বাইক আৰু চাইকেলৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। আহত কেইজনক উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱলৈ প্ৰেৰণ কৰা হয়।

ooooooo

**সমাপ্ত**